# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-02-2025
**Time :** 18-00 Hrs

***Assamese EVENING Bulletin***
***::::::::::::::::::::::::::::::::***

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি সন্দৰ্ভত জনতা ভৱনত আয়োজিত এখন সংবাদমেলত সবিশেষ প্ৰকাশ কৰে। এই সন্মিলনত বৰ্তমানলৈ ৭ হাজাৰৰো অধিক প্ৰতিষ্ঠানে পঞ্জীয়ন কৰাৰ কথা প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে জাপানে অসমত এটা ভাষাকেন্দ্ৰ স্থাপন কৰিব। এই কেন্দ্ৰত ৯ মাহৰ বাবে বিশেষ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব। প্ৰশিক্ষণ লোৱা লোকসকলে ভাৰতত থকা জাপানৰ প্ৰতিষ্ঠানসমূহত কাম কৰাৰ লগতে ৫০ হাজাৰ যুৱক-যুৱতীয়ে জাপানতো চাকৰি লাভ কৰিব। এই সন্দৰ্ভত অসম চৰকাৰে জাপানৰ সৈতে শীঘ্ৰেই এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। এই সংবাদমেলতে ড০ শৰ্মাই এডভাণ্টেজ আছামৰ প্ৰথম সংস্কৰণৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে এই শীৰ্ষ সন্মিলনৰ জৰিয়তে নতুন উদ্যোগ স্থাপনৰ এটা ধাৰা গঢ়ি উঠাৰ লগতে আন্তঃগাঁথনিৰো যথেষ্ট বিকাশ হৈছিল। দ্বিতীয় সংস্কৰণৰ জৰিয়তে ৰাজ্যখন অধিক উপকৃত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। বৰ্তমানৰ নামৰূপ সাৰ কাৰখানা পৰিসৰতে ১ দশমিক ২ নিযুত মেট্ৰিক টন ইউৰিয়া প্ৰকল্প স্থাপন কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ লগতে নুমলীগড় শোধনাগাৰত বহনক্ষম শক্তিৰ বাবে ইথানললৈ ৰূপান্তৰমূলক এটা প্ৰকল্প স্থাপন কৰা হ'ব বুলিও তেওঁ কয়। ঝুমইৰ বিনন্দিনী অনুষ্ঠানৰ জৰিয়তে চাহ উদ্যোগৰ ইতিহাস উদ্‌যাপন কৰা হ'ব বুলি উল্লেখ কৰি ড০ শৰ্মাই কয়, যে এই সন্মিলনত চাহ খণ্ডৰ বিকাশতো বিশেষভাৱে গুৰুত্ব দিয়া হ'ব। কিয়নো ২০০ বছৰীয়া অসমৰ চাহ উদ্যোগে ৰাজ্যখনৰ উদ্যোগৰ ইতিহাসো বহন কৰিছে। ঝুমইৰ বিনন্দিনী অনুষ্ঠান উপভোগ কৰিবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ২৪ ফেব্ৰুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিব। তেওঁ ২৪ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত অংশ ল'ব। সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ উপস্থিত থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ইয়াৰ লগতে এডভাণ্টেজ আছামৰ কাৰ্যসূচীত মুকেশ আম্বানী, গৌতম আদানী, টাটা গ্ৰুপৰ অধ্যক্ষকে ধৰি ৩১ খন দেশৰ ৰাষ্ট্ৰদূত আৰু প্ৰতিনিধিয়ে অংশ ল'ব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীৰ আজিৰ এই সংবাদমেলত মন্ত্ৰী বিমল বৰাও উপস্থিত থাকে।

০০০০০

আন্তঃগাঁথনি উন্নয়ন আৰু শিক্ষক নিযুক্তিৰে ৰাজ্যৰ শিক্ষাখণ্ডক শক্তিশালী কৰি তোলাৰ উদ্দেশ্যে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত চৰকাৰৰ নিযুক্তি সমাৰোহ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধা ভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অবিৰত যাত্ৰাৰ অংশ হিচাপে আজি মুঠ ৪ হাজাৰ ৫৮৭ গৰাকী শিক্ষক তথা

অধ্যাপকক নিযুক্তি পত্র প্ৰদান কৰা হয়। ইয়াৰে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত ৫৮ গৰাকী সহকাৰী অধ্যাপকক আৰু মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত ৪ হাজাৰ ৫২৯  গৰাকী ঠিকাভিত্তিক শিক্ষকক স্থায়ী নিযুক্তিপত্র প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ২০১০ চনত ঠিকাভিত্তিত এই সকলক শিক্ষকে নিযুক্তি লাভ কৰিছিল।

আজিৰ এই সমাৰেশত শিক্ষা মন্ত্ৰী ড০ ৰণোজ পেগুৰ লগতে শিক্ষা বিভাগৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়াও উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত আজি চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হয়। এইবাৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰ ভিতৰত এক লাখ ৯০ হাজাৰ ৬৫৩ গৰাকী ছাত্ৰ আৰু ২ লাখ ৩৮ হাজাৰ ৭৯৫ গৰাকী ছাত্ৰী আছে। পৰীক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। এইবাৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজী, সমাজ বিজ্ঞান, সাধাৰণ বিজ্ঞান আৰু সাধাৰণ গণিত বিষয়ৰ অ' এম আৰ ছিটৰ চাৰিটাকৈ ছেট  আছে।

০০০০০

আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ ৫৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। ১৯৬৯ চনৰ আজিৰ দিনটোতেই প্ৰতিষ্ঠা লাভ কৰা এই কেন্দ্ৰটোৱে উজনি অসমৰ ৯ খন জিলা তথা চুবুৰীয়া অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ বৃহৎ সংখ্যক শ্ৰোতাৰ বাবে সেৱা আগবঢ়াই আহিছে। পুৱাৰ ভাগত মহিলা সৱলীকৰণ আৰু সামাজিক স্বাস্থ্যৰ সন্দৰ্ভত এক দিনজোৰা কৰ্মশালা অনুষ্ঠিত হয়। কৰ্মশালাখনৰ উদ্বোধনী অনুষ্ঠানত আকাশবাণীৰ জ্যেষ্ঠ বিষয়া আশীষ ভাটনাগৰ আৰু দীপক যোশী উপস্থিত থাকে।

০০০০০

অসম চুক্তিৰ ৬ নম্বৰ দফা কাৰ্যকৰীকৰণ সন্দৰ্ভত কাইলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মাজত আলোচনা অনুষ্ঠিত হ'ব। এই বৈঠকত সাংবিধানিক ৰক্ষা কবচ সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ অধ্যক্ষতাত গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদনৰ ভিত্তিত আলোচনা কৰা হ'ব।  কাইলৈ দিছপুৰৰ লোকসেৱা ভৱনত এই আলোচনা অনুষ্ঠিত হ'ব। আলোচনাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যলৈ ইতিমধ্যে আনুষ্ঠানিক আমন্ত্ৰণপত্ৰ প্ৰেৰণ কৰা হৈছে।

০০০০০

মন্ত্ৰী যোগেন মোহনৰ অধ্যক্ষতাত আৰু সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ তথা চৰাইদেউ জিলাৰ আয়ুক্ত ডা০ নেহা যাদৱৰ উপস্থিতিত আজি অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ অন্তৰ্গত জিলা পৰ্যায়ৰ নিৰীক্ষণ সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। চৰাইদেউৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই বৈঠকত অৰুণোদয় তৃতীয় পৰ্যায়ৰ আঁচনিৰ অন্তৰ্গত হিতাধিকাৰীৰ পৰীক্ষণ আৰু চূড়ান্তকৰণৰ বিভিন্ন বিষয় সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। এই আঁচনিৰ অধীনত জিলাখনৰ সোণাৰিৰ ২৭ হাজাৰ ৯৫ গৰাকী আৰু মাহমৰা বিধানসভা

সমষ্টিৰ ২৭ হাজাৰ ৯৬ গৰাকী হিতাধিকাৰীক সামৰি লোৱা হ'ব। আজিৰ এই বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক ভূঞা, মাহমৰাৰ সম-জিলা আয়ুক্ত পলাশ ৰাজকুমাৰ আহোম, অতিৰিক্ত জিলা আয়ুক্ত নৰদ্বীপ চাংমাই প্ৰমুখ্যে সংশ্লিষ্ট চৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰীসকল উপস্থিত থাকে।

০০০০০

সমাপ্ত